অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229, 98642 02080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com

প্ৰসংগ ঃ এজবেক/০০৯/০৪/২০২৫-২৬
Ref :

তাৰিখ ঃ ০৪-০১-২০২৬
Date :

## ৰাজ্যজুৰি সুকলমে অনুষ্ঠিত হ'ল

# জাতীয় বিদ্যালয় ৰাজ্যিক বৃত্তি পৰীক্ষা

**নুনমাটি, গুৱাহাটী, ৪ জানুৱাৰী, ২০২৬ :** অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ, নুনমাটি, গুৱাহাটীৰ অন্তৰ্গত অসমৰ বিভিন্ন প্ৰান্তত অৱস্থিত জাতীয় বিদ্যালয়সমূহৰ শিক্ষাৰ্থীসকলৰ মাজত ৪ জানুৱাৰী, দেওবাৰে সমগ্ৰ ৰাজ্যজুৰি অনুষ্ঠিত হয় জাতীয় বিদ্যালয় ৰাজ্যিক বৃত্তি পৰীক্ষা। তৃতীয় শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ প্ৰতিটো শ্ৰেণীৰ বাবে সুকীয়াকৈ অনুষ্ঠিত হোৱা এই পৰীক্ষাত ৬৭০ খন বিদ্যালয়ৰ ৩৩,৩৭৮ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হয়। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত আৰু জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিসমূহৰ সক্ৰিয় সহযোগত ২৬ খন জিলাৰ মুঠ ১৪০টা পৰীক্ষা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হয়। বহুবিকল্প বাছনিধৰ্মী প্ৰশ্ন (Multiple Choice Question) আৰ্হিৰ প্ৰশ্নকাকতেৰে আৰু OMR উত্তৰ-পত্ৰৰ ব্যৱহাৰেৰে অনুষ্ঠিত এই পৰীক্ষাটোৰ প্ৰতিখন প্ৰশ্নকাকতত অসমীয়া, ইংৰাজী, গণিত, বিজ্ঞান, সমাজ বিজ্ঞান, সাধাৰণ জ্ঞান আৰু মানসিক সামৰ্থ্য বিষয়ৰ মুঠ ১০০টাকৈ প্ৰশ্ন সন্নিৱিষ্ট কৰা হয়। এই পৰীক্ষাত লাভ কৰা নম্বৰৰ ভিত্তিত শিক্ষাৰ্থীসকলক 'জাতীয় বিদ্যালয় বৃত্তি' আগবঢ়োৱা হ'ব। বৃত্তিপ্ৰাপ্ত শিক্ষাৰ্থীসকললৈ অজাবি শিক্ষা সংসদৰ তৰফৰ পৰা নগদ বৃত্তিৰ ধন আৰু প্ৰমাণপত্ৰ আগবঢ়োৱা হ'ব। একে তাৰিখতে অজাবি শিক্ষা সংসদৰ উদ্যোগত একেসমূহ পৰীক্ষা কেন্দ্ৰতেই অনুষ্ঠিত হয় দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে BEACON ENTRANCE CUM SCHOLARSHIP TEST (BEST)। BEST পৰীক্ষাত লাভ কৰা নম্বৰৰ ভিত্তিত শিক্ষাৰ্থীসকলে অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটীত উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ শিক্ষাৰ্থীসকলৰ বাবে থকা বিকন কোচিং কেন্দ্ৰত নামভৰ্তিৰ সুবিধা লাভ কৰিব আৰু 'বিকন বৃত্তি' লাভ কৰিব। পৰীক্ষাটোত সক্ৰিয় সহায়-সহযোগিতা আগবঢ়োৱা বাবে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সভাপতি শ্ৰীদিলীপ কুমাৰ দত্ত চৌধুৰী আৰু সচিব ডাঃ নাৰায়ণ শৰ্মাই প্ৰতিখন জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সভাপতি, সম্পাদক, জিলা পৰীক্ষা সমন্বয়ক, প্ৰতিটো পৰীক্ষা কেন্দ্ৰৰ তত্ত্বাৱধায়ক, পৰ্যবেক্ষক, পৰীক্ষাৰ নিৰীক্ষক, সংশ্লিষ্ট সকলো বিষয়ববীয়া, কৰ্মচাৰী, শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ শলাগ লয়। উল্লেখযোগ্য যে এই বৃত্তি পৰীক্ষাটোৰ পৰীক্ষা নিয়ন্ত্ৰকৰ দায়িত্বত আছিল অজাবি শিক্ষা সংসদৰ পৰীক্ষা নিয়ন্ত্ৰক শ্ৰীনৱজ্যোতি তালুকদাৰ আৰু আহ্বায়কৰ দায়িত্বত আছিল অসম জাতীয় বিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীৰবীন্দ্ৰ বৰ্মন।

(ডাঃ নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ